**সাংস্কৃতিক পৰিৱৰ্তন ঃ**

কোনো সমাজেই স্থৱিৰ নহয়। সময়ৰ পৰিৱৰ্তনৰ লগে লগে সমাজো পৰিৱৰ্তন হয়। সমাজৰ পৰিৱৰ্তনৰ লগতে সেই সমাজৰ সাংস্কৃতিক দিশসমূহৰো পৰিৱৰ্তন হৈ থাকে। যেতিয়া সমাজৰ ব্যক্তিসকলৰ সাংস্কৃতিক দিশৰ পৰিৱৰ্তন সাধন কৰে, তেনে প্ৰক্ৰিয়াকে সাংস্কৃতিক পৰিৱৰ্তন বোলে। বিভিন্ন কাৰক যেনে ঃ- অৰ্থনৈতিক, ৰাজনৈতিক, পৰিৱেশীয় আৰু প্ৰযুক্তিবিদ্যাগত আদিৰ বাবে সাংস্কৃতিক পৰিৱৰ্তন হৈ থাকে।

চেপিন নামৰ সমাজশাস্ত্ৰবিদজনে সাংস্কৃতিক পৰিৱৰ্তনক তিনিটা ভাগত ভাগ কৰিছে— ১) বস্তুগত সংস্কৃতি সম্বন্ধিত, ২) অবস্তুগত সংস্কৃতি সম্বন্ধীয়, ৩) সমগ্ৰ সংস্কৃতিৰ লগত সম্বন্ধিত।

সামাজিক আৰু সাংস্কৃতিক পৰিৱৰ্তনৰ ক্ষেত্ৰত কেইটামান কাৰকে বিশেষ ভূমিকা গ্ৰহণ কৰে। সেইসমূহ হ'ল—

১) **সঞ্চিতকৰণ ঃ** এজন ব্যক্তিয়ে পৰীক্ষা-নিৰীক্ষা কৰি কোনো এটা বস্তু বা বিষয়ৰ ভালবোৰ গ্ৰহণ কৰি সেইসমূহ সঞ্চিত কৰে আৰু ব্যক্তিৰ সামাজিক ঐতিহ্যস্বৰূপে পৰৱৰ্তী প্ৰজন্মলৈ প্ৰেৰণ কৰে।

২) **বিক্ষিপ্তকৰণ ঃ** সংস্কৃতিৰ উপাদানসমূহ এটা অংশৰপৰা আন এটা অংশলৈ পৰিৱৰ্তন কৰা প্ৰক্ৰিয়াকে বিক্ষিপ্তকৰণ বোলে। উদাহৰণস্বৰূপে— এখন সমাজ বা কোনো এখন সমাজৰ কোনো এজন ব্যক্তিয়ে আন সমাজ বা ব্যক্তিৰ পৰা কিছুমান ভাৱ-আদৰ্শ গ্ৰহণ কৰে। বিক্ষিপ্তকৰণ প্ৰক্ৰিয়াৰ যোগেদিও সাংস্কৃতিক পৰিৱৰ্তন হয়।

৩) **উপযোজন ঃ** উপযোজন বুলিলে কোনো এটা বস্তু বা বিষয় আন এটা বস্তু বা বিষয়ৰ লগত খাপ খোৱা এক কাৰ্য। উদাহৰণস্বৰূপে— পাশ্চাত্যৰ সংস্কৃতিসমূহ বৰ্তমান ভাৰতৰ অবিচ্ছেদ্য অংগ হৈ পৰিছে।

৪) **সংকৰ নিষেচন ঃ** উমৈহতীয়া আদান-প্ৰদান বা বিনিময় প্ৰক্ৰিয়াকে সংকৰ নিষেচন বোলে। উদাহৰণস্বৰূপে— কোনো সময়ত এটা সংস্কৃতিৰ উপাদান আন এটা সংস্কৃতিয়ে আৰু আন এটা সংস্কৃতিৰ উপাদান এটা সংস্কৃতিয়ে গ্ৰহণ কৰে। ইয়াৰ ফলত সংস্কৃতিৰ প্ৰাণশক্তি বৰ্তি থাকে।

৫) **একীকৰণ ঃ** একীকৰণ হ'ল সচেতনভাৱে বা অসচেতনভাৱে সংস্কৃতিৰ লগত সংযোগ স্থাপন কৰি গঢ়ি উঠা সংস্কৃতিৰ শিকন যেনেঃ- প্ৰব্ৰজনকাৰী ব্যক্তিসকলে নতুন দেশখনৰ জীৱনধাৰা আৰু মূল্যবোধ গ্ৰহণ কৰে।

৬) **আত্মীকৰণ ঃ** সংস্কৃতিৰ প্ৰক্ৰিয়াত যেতিয়া কোনো এক সংস্কৃতিয়ে বা সেই সংস্কৃতিৰ ব্যক্তিয়ে নিজস্ব বিসৰ্জন দি আনৰ সংস্কৃতি অতি আন্তৰিকভাৱে গ্ৰহণ কৰে, তাকে আত্মীকৰণ বোলে। এই প্ৰক্ৰিয়াৰ জৰিয়তেও সাংস্কৃতিক পৰিৱৰ্তন হয়।

**সাংস্কৃতিক পশ্চাৎৱৰ্ত্তীতা ঃ** সামাজ শাস্ত্ৰবিদ অগবাৰ্ণক সাংস্কৃতিক পশ্চাৎৱৰ্ত্তীতাৰ ধাৰণাৰ মূল পৃষ্ঠপোষক বুলি কোৱা হয়। উইলিয়াম এফ. আগবাৰ্ণে তেওঁৰ 'Social Change' নামৰ গ্ৰন্থত এই ধাৰণাৰ ওপৰত উল্লেখ কৰিছে।

আগবাৰ্ণৰ মতে সংস্কৃতিৰ দুটা প্ৰধান দিশ আছে। এটা হৈছে বস্তুগত দিশ আৰু আনটো অবস্তুগত দিশ। বিভিন্ন যন্ত্ৰপাতি, বাচন-বৰ্তন, উৎপাদিত সামগ্ৰী, যাতায়তৰ বাবে ব্যৱহৃত গাড়ী-মটৰ, ৰেলগাড়ী, উৰা-জাহাজ, ৰেডিঅ', দূৰদৰ্শন, ভিডিঅ' টেপ, যোগাযোগৰ মাধ্যমস্বৰূপে টেলিফোন, ম'বাইল ফোন, কম্পিউটাৰ, বাসস্থানৰ বাবে ঘৰ-দুৱাৰ, বস্ত্ৰ আদি বস্তুগত সংস্কৃতিৰ ভিতৰত পৰে। আনহাতে সমাজত প্ৰচলিত ব্যক্তিৰ আচৰণ, নিয়ম-নীতি, পৰম্পৰা, ঐতিহ্য, প্ৰথা, আদৰ্শ, মূল্যবোধ, বিশ্বাস আদি অবস্তুগত দিশৰ অন্তৰ্গত। বস্তুগত সংস্কৃতিৰ বিকাশ খৰগতিত হয় কিন্তু অবস্তুগত সংস্কৃতিৰ বিকাশ লাহে লাহে হয়। সংস্কৃতিৰ এই দুয়োটা দিশ বা উপাদানৰ বিকাশ একে গতিত আগবাঢ়ি নাযায়, যাৰ ফলত দুই সংস্কৃতিৰ মাজত পাৰ্থক্য পৰিলক্ষিত হয়। এই পাৰ্থক্যকেই সাংস্কৃতিক পশ্চাৎৱৰ্ত্তীতা বোলা হয়।

**সাংস্কৃতিক পশ্চাৎৱৰ্ত্তীতাৰ কাৰণসমূহ ঃ**

১) **আদৰ্শ ঃ** সাংস্কৃতিক পশ্চাৎৱৰ্ত্তীতাৰ এক কাৰণ হৈছে আদৰ্শ। সাধাৰণতে সংস্কৃতিৰ এটা প্ৰধান দিশ অবস্তুগত সংস্কৃতি আদৰ্শৰদ্বাৰা প্ৰভাৱান্বিত হয়। আদৰ্শৰদ্বাৰা আমি ভাল-বেয়া আদি বিচাৰ কৰিবলৈ সক্ষম হওঁ। আদৰ্শৰদ্বাৰা পৰিচালিত হোৱা বাবে অবস্তুগত সংস্কৃতি সদায় লেহেম গতিৰ হয়। উদাহৰণস্বৰূপে— ধৰ্মীয় বিশ্বাসৰ ক্ষেত্ৰত থকা ব্যক্তিসকলৰ মতবাদৰ পৰিৱৰ্তন লেহেম গতিৰ হয়।

২) **প্ৰযুক্তিবিদ্যা ঃ** প্ৰযুক্তিবিদ্যাৰ পৰিৱৰ্তন অতি খৰ গতিত হয়। কিন্তু প্ৰযুক্তিবিদ্যাৰ পৰিৱৰ্তনৰ ধাৰা সকলোতে একে নহয়।

৩) **মনোবৈজ্ঞানিক ধৰ্মান্ধতা ঃ** সমাজত ব্যক্তিয়ে ধৰ্মৰ ক্ষেত্ৰত পুৰণি পৰম্পৰা, ধৰ্মমত, ৰীতি-নীতি আদিকে বেছি গুৰুত্ব দিয়ে। তেওঁলোকে ধৰ্মৰ ক্ষেত্ৰত নতুন মত বা ধাৰণাক প্ৰধান্য দিব নিবিচাৰে। গতিকে মনোবৈজ্ঞানিক ধৰ্মান্ধতা সাংস্কৃতিক পশ্চাৎৱৰ্ত্তীতাৰ এক কাৰণ বুলি ক'ব পাৰি।

**সাংস্কৃতিক বিক্ষিপ্তকৰণ ঃ**

বিক্ষিপ্তকৰণ বুলিলে এজন ব্যক্তিৰ পৰা আন এজন ব্যক্তিলৈ বা এখন সমাজৰ পৰা আন এখন সমাজলৈ সংস্কৃতিৰ প্ৰসাৰ বা গ্ৰহণ প্ৰক্ৰিয়াকে বুজো। সাংস্কৃতিক বিক্ষিপ্তকৰণ বুলিলে এখন সমাজত আৱিস্কৃত সাংস্কৃতিক সংলক্ষণ বা গুণসমূহ প্ৰত্যক্ষভাৱে বা পৰোক্ষভাৱে প্ৰভাৱ বিস্তাৰ কৰা প্ৰক্ৰিয়াকে বুজো। উদাহৰণস্বৰূপে— পশ্চিমীয়া সভ্যতা আৰু সংস্কৃতিৰ প্ৰভাৱ প্ৰাচ্যৰ দেশসমূহৰ সংস্কৃতিত প্ৰত্যক্ষ বিক্ষিপ্তকৰণত দৈহিক যোগাযোগৰ মাজেৰে বিক্ষিপ্তকৰণ হয় আৰু পৰোক্ষ বিক্ষিপ্তকৰণত যথেষ্ট প্ৰভাৱ পেলায়। প্ৰত্যক্ষ বিক্ষিপ্তকৰণত দৈহিক যোগাযোগৰ মাজেৰে বিক্ষিপ্তকৰণ হয় আৰু পৰোক্ষ বিক্ষিপ্তকৰণত বিভিন্ন সা-সঁজুলি, জনসংযোগ মাধ্যম যেনে— বাতৰি কাকত, ৰেডিঅ'. চিনেমা, দূৰদৰ্শন আদিৰ জৰিয়তে বিক্ষিপ্তকৰণ হয়। ইতিহাস অধ্যয়ন কৰিলেও আমি জানিব পাৰো যে পুৰণিকালত গ্ৰীক, ৰোমান আদি সভ্যতাৰ বিক্ষিপ্তকৰণ পশ্চিমীয়া আৰু মধ্য প্ৰাচ্যৰ দেশসমূহত ঘটিছিল। এনেদৰে বিক্ষিপ্তকৰণৰ যোগেদি পৃথিৱীৰ বিভিন্ন দেশসমূহত দ্ৰুতগতিত পৰিৱৰ্তন হ'ব ধৰিছে।

সাংস্কৃতিক বিক্ষিপ্তকৰণ প্ৰক্ৰিয়াত উন্নত, উন্নয়ণশীল আৰু অনুন্নত দেশবোৰৰ সংস্কৃতিৰ মাজত আদান-প্ৰদান হয়। অৰ্থাৎ কেৱল যে অনুন্নত সমাজেই উন্নত সমাজৰ সংস্কৃতি গ্ৰহণ কৰিব এনে নহয়। উন্নত সমাজেও অনুন্নত আৰু উন্নয়ণশীল সমাজৰ সংস্কৃতিৰ বিভিন্ন উপাদান বা দিশ গ্ৰহণ কৰি নিজকে পৰিৱৰ্তন সাধন কৰিব পাৰে।

**সাংস্কৃতিক বিক্ষিপ্তকৰণত প্ৰভাৱ পেলোৱা বিভিন্ন কাৰকসমূহ ঃ**

১) যাতায়ত আৰু যোগাযোগৰ সুলভতা।

২) বিক্ষিপ্তকৰণ হোৱা সংস্কৃতি আৰু তাৰ মানুহবোৰৰ যশস্যা।

৩) প্ৰব্ৰজনকাৰী।

৪) নতুন সংলক্ষণৰ প্ৰতি আগ্ৰহ।

৫) পুৰণি সংলক্ষণৰ লগত প্ৰতিযোগিতা আৰু বিৰোধিতা।

**সাংস্কৃতিক সংহতি ঃ**

সংস্কৃতিক সংহতিক সামাজিক ঐতিহ্যৰ আটাইতকৈ উৎকৃষ্ট গুণ বুলি ক'ব পাৰি। কাৰণ সমাজৰ ধৰ্ম, ভাষা, জ্ঞান, অভিজ্ঞতা, মনোভাৱ, বিশ্বাস, প্ৰথা, পৰম্পৰা, অভ্যাস আদি সংস্কৃতিয়ে অন্তৰ্ভূক্ত কৰে। আমাৰ সৰ্বাত্মক সাংস্কৃতিক সমূহত বহুতো উপ-সাংস্কৃতিক সমূহ আছে। সংস্কৃতি হৈছে এক সংহতিশীল শক্তি যাৰদ্বাৰা ভিন ভিন উপ-সাংস্কৃতিক সংহতি সমূহৰ ব্যক্তিসকল আৰু তেওঁলোকৰ উপাদানসমূহক এক কৰি তুলিব পাৰি। এয়াই হৈছে সাংস্কৃতিক সংহতি। সাংস্কৃতিক সংহতিৰ উদাহৰণস্বৰূপে ভাৰতবৰ্ষৰ কথা আঙুলিয়াব পাৰো। কাৰণ ভাৰৱৰ্ষত বিভিন্ন ধৰ্ম, ভাষা, সংস্কৃতিৰ ব্যক্তি বাস কৰে। এনে ক্ষেত্ৰত নিজৰ ঐতিহ্য আৰু পৰম্পৰা বজাই ৰাখি নিজকে এখন সংহতিপূৰ্ণ দেশ বুলি পৰিচয় দিব পাৰিছে।

**ভাৰতবৰ্ষত সাংস্কৃতিক সংহতি ৰখাৰ পদক্ষেপসমূহ ঃ**

১) দেশৰ সকলো ব্যক্তিৰ মাজত ভাষাৰ বিকাশ সাধন কৰিব লাগে।

২) ধৰ্ম নিৰপেক্ষ নীতি গ্ৰহণ কৰি ইয়াৰ বাবে প্ৰশিক্ষণ দিব লাগে।

৩) ভাৰতীয় সমাজৰ সকলো উপ-সাংস্কৃতিক সমূহকে সন্মান প্ৰদৰ্শন কৰিব লাগে।

৪) নতুন প্ৰজন্মক সাংস্কৃতিক সংহতি জগাই তুলিবৰ বাবে শিক্ষাৰ পাঠ্যক্ৰমত ব্যৱস্থা গ্ৰহণ কৰিব লাগে।

৫) অন্য দেশ বা সমাজৰ সংস্কৃতিক জানিবৰ বাবে ভ্ৰমণৰ ব্যৱস্থা কৰিব লাগে।

৬) মহাবিদ্যালয় বা বিশ্ববিদ্যালয়সমূহত ছাত্ৰ-ছাত্ৰীৰ বাবে সাংস্কৃতিক সংহতিৰ ব্যৱস্থা কৰিব লাগে।

৭) শিক্ষানুষ্ঠানসমূহত সাংস্কৃতিক সংহতিৰ ওপৰত আলোচনা চক্ৰ, বক্তৃতা, দলীয় আলোচনা আদি অনুষ্ঠিত কৰা উচিৎ। এই ক্ষেত্ৰত বিভিন্ন অঞ্চলৰ বিশষজ্ঞসকলক আমন্ত্ৰণ কৰি তেওঁলোকৰ যোগেদি ছাত্ৰ-ছাত্ৰীসকলক সাংস্কৃতিক সংহতি বজাই ৰখাৰ বাবে চেষ্টা কৰিব পাৰি।


**প্ৰসংগ পুথি ঃ**

১) শিক্ষাৰ সমাজতাত্বিক ধাৰা — ড° ফুণু দাস শৰ্মা, ড° উৎপল কলিতা

২) Sociological Foundation of Education — Dr. Meera Kumari Devi, Dr. Juri Mahanta, Dr. Chitra Sarma